# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-JUNE-2026
**Time :** 12:05 HRS

***Assamese 12.05 PM Bulletin***

১। মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৫৩৭ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ উপলক্ষে ৰাজ্যজুৰি পৱিত্ৰ পৰিৱেশ।
২। যশস্বী কবি-গীতিকাৰ ড° নিৰ্মলপ্ৰভা বৰদলৈৰ আজি পূণ্যতিথি উপলক্ষে শ্ৰদ্ধা নিবেদন।
৩। মুম্বাইৰ পৱনহংস শ্মশানত কিছু সময়ৰ পাছতে ভাৰতীয় সংগীত জগতৰ কিংবদন্তি শিল্পী সুমন কল্যাণপুৰৰ শেষকৃত্য। **আৰু**
৪। দেশৰ চাৰিখন মুখ্য চহৰত ১৯ কিলোগ্ৰাম ওজনৰ ব্যৱসায়িক ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্য বৃদ্ধি।

oooooo

ৰাজ্যজুৰি আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৫৩৭ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ উপলক্ষে পৱিত্ৰ পৰিৱেশে বিৰাজ কৰিছে। সত্ৰ-নামঘৰসমূহত ভকত আৰু আইসকলে নাম-প্ৰসংগৰে মুখৰ কৰি তুলিছে। গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ উপলক্ষে ৰাজ্যৰ সত্ৰ আৰু নামঘৰসমূহত নৈমিত্তিক প্ৰসংগৰ লগতে ভাগৱত ভ্ৰমণ, ধৰ্মালোচনা সভা আদি অনুষ্ঠিত হৈছে। শ্ৰীশ্ৰী মাধৱদেৱৰ দ্বাৰা স্থাপিত বৰপেটা সত্ৰত এই আৱিৰ্ভাৱ মহোৎসৱ উলহ-মালহেৰে আয়োজন কৰা হৈছে।

ধুবুৰী জিলাতো আজি শ্ৰীশ্ৰী মাধৱদেৱ গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ অনুষ্ঠিত হৈছে। এই উদ্দেশ্যে পুৱাৰেপৰা গোলকগঞ্জৰ ৰামৰাইকুটী সত্ৰত ভালেসংখ্যক লোক সমবেত হৈ বিভিন্ন কাৰ্যসূচীৰে গুৰুজনাৰ সৃষ্টিক স্মৰণ কৰিছে। জিলাখনৰ সাপটগ্ৰামৰ লীলানন্দ পাগলাবাবাৰ আশ্ৰমতো এই মহোৎসৱ অনুষ্ঠিত হৈছে।

বটদ্ৰৱা থান আৰু মাজুলীৰ সত্ৰসমূহতো গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। গুৱাহাটী মহানগৰীৰ নামঘৰসমূহত আজি পুৱাৰেপৰা নাম-কীৰ্তনৰ আয়োজন কৰা হৈছে। বামুণীমৈদামৰ শ্ৰীমন্ত শংকৰদেৱ সমাজ কীৰ্তনঘৰত ভকত-বৈষ্ণৱসকলে পুৱাৰেপৰা নাম পৰিৱেশন কৰে।

নাম

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহাপুৰুষজনাৰ আবিৰ্ভাৱ তিথি উপলক্ষে গুৰুজনাক শ্ৰদ্ধাৰে স্মৰণ কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে জ্ঞান, ভক্তি আৰু মানৱতাৰ অমৃত বাণীৰে যুগে যুগে পথ প্ৰদৰ্শন কৰি থকা মহাপুৰুষজনা আমাৰ জাতীয় জীৱনৰ প্ৰেৰণাৰ অমল উৎস। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ আৱিৰ্ভাৱ তিথি উপলক্ষে গুৰুজনালৈ সেৱা জনাইছে। সামাজিক মাধ্যমযোগে দিয়া বাৰ্তাত শ্ৰী সোণোৱালে ভক্তি-মানৱতা-সমতা আৰু ভাতৃত্ববোধৰ আদৰ্শৰে মহাপুৰুষজনাই জাতি-বৰ্ণ-ধৰ্মৰ সীমা অতিক্ৰমী সমন্বিত সমাজ গঢ়াৰ পথ নিৰ্দেশ দিছিল বুলি উল্লেখ কৰে।

oooooo

যশস্বী কবি-গীতিকাৰ ড° নিৰ্মলপ্ৰভা বৰদলৈৰ আজি পূণ্যতিথি উপলক্ষে শ্ৰদ্ধা নিবেদন কৰা হৈছে। বহু সুৰীয়া গীতৰ কথাৰে শ্ৰোতাৰ মনত নিগাজিকৈ স্থান লাভ কৰা লোক-সংস্কৃতিৰ এইগৰাকী গৱেষকে 'সুদীৰ্ঘ দিন আৰু ঋতু' শীৰ্ষক কাব্য সংকলনৰ বাবে ১৯৮৩ চনত সাহিত্য একাডেমী বঁটাৰে সন্মানিত হৈছিল। এই গ্ৰন্থখন বাংলা, পঞ্জাৱী, হিন্দী, উৰিয়াকে ধৰি কেইবাটাও ভাষালৈ অনুদিত হৈছিল। ড° বৰদলৈ ৰচিত গীতসমূহত ঊষা মংগেশকাৰ, ভূপেন হাজৰিকা, জয়ন্ত হাজৰিকা, দীপালী বৰঠাকুৰকে ধৰি খ্যাতিমান শিল্পীসকলে কণ্ঠ নিগৰাইছে। ১৯৯১ চনত অসম সাহিত্য সভাৰ দুধনৈ অধিৱেশনত তেওঁ সভাপতিৰ পদত অধিষ্ঠিত হৈছিল। কেইবাখনো গীতৰ সংকলন, কাব্য সংকলন, শিশু সাহিত্য আৰু সম্পাদনা গ্ৰন্থ, আত্মজীৱনীকে ধৰি ভালেসংখ্যক লেখাৰে অসমীয়া সাহিত্য সমৃদ্ধ কৰা

বৰদলৈক ১৯৫৭ চনত শিশু সাহিত্যিকৰূপে ৰাষ্ট্ৰপতি বঁটা আগবঢ়োৱা হৈছিল। ১৯৮৭ চনত অসম সংস্কৃত সমাজৰ পৰা তেওঁ সৰস্বতী উপাধিৰে বিভূষিত হৈছিল। ২০০৪ চনৰ আজিৰ দিনটোত এইগৰাকী বিশিষ্ট সাহিত্যিকৰ দেহাৱসান ঘটে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ড° নিৰ্মলপ্ৰভা বৰদলৈৰ পূণ্যতিথি উপলক্ষে শ্ৰদ্ধা জ্ঞাপন কৰিছে। সাহিত্য গৱেষণা আৰু সংস্কৃতিৰ প্ৰতি তেওঁৰ অনবদ্য অৱদানে যুগে যুগে সমাজক আলোকিত কৰি থাকিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বৰদলৈৰ স্মৃতি দিৱস উপলক্ষে শ্ৰদ্ধা জ্ঞাপন কৰি দিয়া বাৰ্তাত কবি, সাহিত্যিক, গীতিকাৰ, গৱেষক আৰু শিক্ষাবিদ হিচাপে তেওঁৰ অৱদান অসমৰ জনজীৱনত স্মৰণীয় হৈ থাকিব বুলি উল্লেখ কৰে।

০০০০০০

মুম্বাইত কালি দেহাৱসান ঘটা ভাৰতীয় সংগীত জগতৰ কিংবদন্তি গায়িকা সুমন কল্যাণপুৰৰ শেষকৃত্য কিছু সময়ৰ পাছতে মুম্বাইৰ পৰমহংস শ্মশানত সম্পন্ন কৰা হ'ব। উল্লেখযোগ্য যে প্ৰবাদ প্ৰতীম গায়িকাগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮৯ বছৰ। প্ৰবীণ গায়িকাগৰাকীয়ে ১৯৫০ৰ পৰা ১৯৭০ চনলৈ চলচ্চিত্ৰ গীতৰ সোণালী যুগত হিন্দী, মাৰাঠীকে ধৰি বিভিন্ন ভাৰতীয় ভাষাৰ গীতত কণ্ঠদান কৰিছিল। ১৯৩৭ চনৰ ২৮ জানুৱাৰীত বাংলাদেশৰ ঢাকাত জন্মগ্ৰহণ কৰা সুমন কল্যাণপুৰে ১৯৫০ চনৰ মাজভাগত প্ৰথমখন হিন্দী ছবিত গীত গাইছিল। 'আজকল তেড়ে মেৰে প্যাৰ কে চৰ্চে', 'না না কৰকে প্যাৰ' আৰু 'তুমনে পুকাড়া ঔৰ হম চলে আয়ে' আদিকে ধৰি বহু জনপ্ৰিয় হিন্দী গীত গাইছিল। তেওঁ কিংবদন্তী গায়ক মহম্মদ ৰফিৰ সৈতে কমেও এশটা গানত কণ্ঠ নিগৰাইছিল। ড° ভূপেন হাজৰিকাৰ পৰিচালনা, প্ৰযোজনা আৰু সংগীতেৰে সজোৱা জনপ্ৰিয় অসমীয়া বোলছবি 'প্ৰতিধ্বনি'ৰ গীতত কণ্ঠ নিগৰোৱাৰ লগতে তেওঁ 'পোনাকণ', 'চিকমিক বিজুলী', 'কাঁচঘৰ', 'নয়নমণি' আদি ছবিৰো নেপথ্য গায়িকা আছিল। 'আকাশৰে নীলাই', 'জীৱন ঘড়ীৰ প্ৰতিটো পল', 'মিলনৰে এই শুভক্ষণ', 'অই অই আকাশ শুব' আদি জনপ্ৰিয় অসমীয়া গীতবোৰেৰে সুমন কল্যাণপুৰে শ্ৰোতাৰ হৃদয় জিনিছিল।

ভালেসংখ্যক বঁটা আৰু সন্মানেৰে বিভূষিতা সুমন কল্যাণপুৰৰ মৃত্যুত মহাৰাষ্ট্ৰৰ ৰাজ্যপাল জিষ্ণু দেৱ বাৰ্মা, মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাবিছ, উপ-মুখ্যমন্ত্ৰী একনাথ সিন্দে, সুনেত্ৰা পাৱাৰ, কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শোক প্ৰকাশ কৰিছে।

০০০০০০

চৰাইদেউ জিলাৰ বৰহাট থানাৰ অন্তৰ্গত বৰহাট চাহ বাগিচাত দীৰ্ঘদিন ধৰি চলি থকা কেঁচা চাহপাত চুৰি কাৰ্যৰ বিৰুদ্ধে জিলাখনৰ আৰক্ষীয়ে অভিযান চলাই ১৫ জনীয়া দুৰ্বৃত্তৰ দল এটাক আটক কৰে। ধৃত চোৰৰ দলটোৱে দীৰ্ঘদিন ধৰি বৰহাট চাহ বাগিচাৰ পৰা কেঁচা চাহপাত চুৰি কৰি চোৰাংভাৱে বিক্ৰী কৰি আছিল। এই সন্দৰ্ভত বাগিচা কৰ্তৃপক্ষই বৰহাট থানাত দাখিল কৰা এজাহাৰৰ ভিত্তিত তদন্ত কৰি আৰক্ষীয়ে এই দলটোক কৰায়ত্ত কৰে। চৰাইদেউৰ অতিৰিক্ত আৰক্ষী অধীক্ষক জ্যোতিপ্ৰসাদ পেগুৱে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে কালি বৰহাটৰ দফলা গাঁৱত অভিযান চলাই দলটোক কৰায়ত্ত কৰা হয়।

**বাইট**

০০০০০০

দেশৰ চাৰিখন মুখ্য চহৰত ১৯ কিলোগ্ৰাম ওজনৰ ব্যৱসায়িক ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্য ৪২ টকাৰ পৰা ৫৩ টকা ৫০ পইচালৈ বৃদ্ধি পাইছে। অৱশ্যে ঘৰুৱা ৰন্ধন গেছৰ মূল্য এতিয়াও অপৰিৱৰ্তিত হৈ আছে। দিল্লীত ব্যৱসায়িক ৰন্ধন গেছৰ মূল্য প্ৰতি চিলিণ্ডাৰত ৩ হাজাৰ ১১৩ টকা ৫০ পইচা হৈছে। একেদৰে মুম্বাইত এনে চিলিণ্ডাৰৰ মূল্য ৩ হাজাৰ ৬৭ টকা ৫০ পইচা, কলকাতাত ৩ হাজাৰ ২৫৫ টকা ৫০ পইচা আৰু চেন্নাইত ৩ হাজাৰ ২৮৩ টকালৈ বৃদ্ধি হৈছে। পশ্চিম এছিয়াৰ সংঘৰ্ষৰ ফলত বৰ্ধিত গোলকীয় শক্তি ব্যয়ৰ পৰিপ্ৰেক্ষিতত বাণিজ্যিক চিলিণ্ডাৰৰ দাম বৃদ্ধি পাইছে।

০০০০০০

সমগ্ৰ বিশ্বৰ লগতে নগাঁও জিলাতো কালি বিশ্ব ধঁপাত বিৰোধী দিৱস উদযাপন কৰা হয়। নগাঁও জিলা প্ৰশাসন আৰু জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ উদ্যোগত তথা জিলা আইন সেৱা প্ৰাধিকৰণৰ সহযোগত এই সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই উপলক্ষে জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই নগাঁও বিশ্ববিদ্যালয় চৌহদৰ পৰা পুৰাৰ ভাগত উলিওৱা সজাগতা সমদল কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। উদ্বোধনী ভাষণত জিলা আয়ুক্তগৰাকীয়ে ধঁপাতজনিত আসক্তিয়ে নৱপ্ৰজন্মৰ ভালেসংখ্যক ল'ৰা-ছোৱালীক বিপথে পৰিচালিত কৰা বিষয়ত গভীৰ উদ্বেগ প্ৰকাশ কৰে। এই কু-অভ্যাস ৰোধ কৰিবলৈ তেওঁ সকলোৰে সহযোগিতা কামনা কৰে। এই কাৰ্যসূচীৰ পাছতে নগাঁও বিশ্ববিদ্যালয়ত এখন বিশেষ আলোচনা সভা অনুষ্ঠিত হয়। সভাত জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ ভাৰপ্ৰাপ্ত বিষয়া ডা০ স্মীতাক্ষী ফুকনে ধঁপাত সম্পৰ্কীয় আইনী দিশসমূহ ব্যাখ্যা কৰে। এই অনুষ্ঠানতে স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত ৰচনা প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলৰ মাজত বঁটা বিতৰণ কৰা হয়।

০০০০০০

ডিব্ৰুগড় জিলাৰ লাহোৱাল উন্নয়ন খণ্ডৰ ৰমাই কদৈবাম গাঁৱত আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগ ধৰা পৰিছে। জিলাখনৰ পশুপালন আৰু পশু চিকিৎসা বিষয়াৰ প্ৰতিবেদনৰ ভিত্তিত কদৈবামৰ এজন লোকৰ গাহৰি পাম এলেকাত ছোৱাইন ফিভাৰৰ সংক্ৰমণ ধৰা পৰিছে। জনস্বাস্থ্য আৰু পশুধনৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে অঞ্চলটোত তাৎক্ষণিকভাৱে প্ৰযোজ্য হোৱাকৈ কেতবোৰ নিধেষাজ্ঞা জাৰি কৰিছে। এই অনুসৰি সংক্ৰমিত এলেকাৰ পৰা ১ কিলোমিটাৰ ব্যাসাৰ্ধ এলেকাক সংক্ৰমিত অঞ্চল আৰু ১০ কিলোমিটাৰ ব্যাসাৰ্ধ এলেকাক নিৰীক্ষণ অঞ্চল হিচাপে চিহ্নিত কৰা হৈছে। ১ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত থকা সকলো অঞ্চলৰ গাহৰি, গাহৰিৰ মাংস অথবা গাহৰিৰ খাদ্য অনা-নিয়া কৰাত সম্পূৰ্ণৰূপে বাধা আৰোপ কৰা হৈছে। তদুপৰি মৃত গাহৰি বা ইয়াৰ অৱশিষ্ট নদী, বিল, খাল বা আন কোনো জলভাগত নেপেলাবলৈ নিৰ্দেশ দিয়া হৈছে। জিলাখনত অবৈধভাৱে পথৰ কাষত গাহৰি মাংস বিক্ৰী কাৰ্য ৰোধ কৰিবলৈ আৰক্ষী চকীসমূহক কঠোৰ দৃষ্টি ৰাখিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা আহমেদাবাদাৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে গুজৰাট টাইটানছক ৫ উইকেটত পৰাস্ত কৰি একেৰাহে দ্বিতীয়বাৰৰ বাবে খিতাপ জয় কৰে। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ১৫৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰত ৫ উইকেটৰ বিনিময়ত অনায়াসে নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। বিৰাট কোহলি ৪২টা বলত ৭৫ ৰান কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে গুজৰাট টাইটানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৫৫ ৰান সংগ্ৰহ কৰে। দলৰ হৈ ৱাশ্বিংটন সুন্দৰে ৫০ ৰান কৰি আউট নোহোৱাকৈ থাকে। বিৰাট কোহলিক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

সম্পূৰ্ণ দুমাহজোৰা এইবাৰৰ আই পি এলত বৈভৱ সূৰ্যবংশী আটাইতকৈ গুৰুত্বপূৰ্ণ খেলুৱৈ হিচাপে বিবেচিত হয়। প্ৰতিযোগিতাত সূৰ্যবংশীয়ে সৰ্বাধিক ৭৭৬ ৰান কৰি অৰেঞ্জ কেপ লাভ কৰা আটাইতকৈ কম বয়সীয়া খেলুৱৈ হিচাপে অভিলেখ গঢ়ে। আই পি এলৰ এইবাৰ সংস্কৰণত মুঠ ২৯টা উইকেট দখল কৰাৰ বাবে কাগিছ' ৰাবাডাই পাৰ্পল কেপ লাভ কৰে। মনীষ পাণ্ডেই কেটছ অৱ দা ছিজন সন্মান লাভ কৰে। ১৭২টা ডট বলেৰে মহম্মদ ছিৰাজে প্ৰতিযোগিতাখনত অধিক সংখ্যক ডট বল কৰা খেলুৱৈৰ সন্মান লাভ কৰে। একেদৰে ছাই সুদৰ্শনে আটাইতকৈ বেছি বাইণ্ডেৰী মৰা খেলুৱৈৰ সন্মান লাভ কৰে। সুদৰ্শনে ৭৫টা ফ'ৰ মাৰে। বৈভৱ সূৰ্যবংশীয়ে এমাৰ্জিং প্লেয়াৰ অৱ দা ছিজন, ছুপাৰ ষ্ট্ৰাইকাৰ অৱ দা ছিজন আৰু ছুপাৰ ছিক্সেছ অৱ দা ছিজনকে ধৰি বহুকেইটা সন্মান অৰ্জন কৰে।

০০০০০০

**সমাপ্ত**